
আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MARCH 05, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৭ Guwahati, Assam ।। মূল্যঃ এটকা

## উপঢৌকন লৈ ভোট দিয়া সাংসদ-বিধায়কে নাপাব কোনো বিশেষাধিকাৰ



**নতুন দিল্লী, ৪ মাৰ্চঃ** সংসদ বা বিধানসভাত ভোট বা ভাষণৰ বিনিময়ত উৎকোচ লোৱাটো সাংসদ বা বিধায়কৰ বিশেষাধিকাৰৰ অধীনত নপৰে। সোমবাৰে এই সম্পৰ্কীয় এক গোচৰৰ ৰায় প্ৰদান কৰি এই কথা ৬ পৃষ্ঠাত চাওক



গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙৰ দক্ষিণ পাৰৰ ক'ৰিডৰ মুকলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ

### লালুৰ ভাষণৰ পিছতে দেশজুৰি বিজেপিৰ নতুন প্ৰচাৰ

# ‘১৯ৰ চকীদাৰ’ ২৪ত পৰিবাৰ!

**ই-সংবাদ, ৪ মাৰ্চঃ** আকৌ নতুন ৰূপত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হ'ল বিজেপিৰ। ২০১৯ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ বৰ বৰ নেতাৰ পৰা তৃণমূল কৰ্মীলৈকে সকলোৱে ছ'চিয়েল মিডিয়াত নিজৰ নামৰ সৈতে সংলগ্ন কৰিছিল 'চকীদাৰ' শব্দ। এইবাৰ চকীদাৰ নহয়, কিন্তু ঠিক একেই পদ্ধতি অৱলম্বন কৰিয়েই এতিয়া পুনৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে বিজেপি নেতাসকলে। ছ'চিয়েল মিডিয়াত এইবাৰ নিজৰ নামৰ সৈতে 'মোদী কা পৰিবাৰ' লিখি অভিনৱ কৌশলেৰে প্ৰচাৰত নামি পৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা বিজেপিৰ সৰ্বভাৰতীয় সভাপতি জে পি নাড্ডালৈকে জ্যেষ্ঠ নেতাসকল। শেষাংশ ৩ পৃষ্ঠাত



দুধনৈত আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ

## আদৰ্শ ধৰি ৰাখিয়েই প্ৰাক্তন মন্ত্ৰী ৰমণী বৰ্মনে সামৰিলে জীৱন-নাট

**নলবাৰীৰ পৰা হিৰণ্য কুমাৰ ভট্টাচাৰ্য, ৪ মাৰ্চঃ** আজীৱন আদৰ্শকে খামুচি দেশ আৰু দহৰ হকে কাম কৰা প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমণী বৰ্মনে আজি পুৱা জীৱন নাট সামৰে। নলবাৰীৰ ভাৰাঘৰৰ পৰা কেতিয়াও উভতি নহা বাটেৰে গুছি গ'ল ৰমণী বৰ্মন। আজি পুৱা ৬ বজাত ৮৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰা বুলি পৰিয়ালে অৱগত কৰে। দীৰ্ঘদিন ধৰি শেষাংশ ৪ পৃষ্ঠাত



### হাইটিত জৰুৰীকালীন অৱস্থা ঘোষণা

## একেলগে জে'লৰ পৰা পলাল ৩৭০০ কয়দী

**প'ৰ্ট অ' প্ৰিন্স, ৪ মাৰ্চঃ** প্ৰায় ৩৭০০ কয়দীৰ একেলগে জে'লৰ পৰা পলায়নৰ পিছতে জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছে কেৰিবিয়ান দেশ হাইটিত। দেওবাৰে ৰাষ্ট্ৰখনৰ প'ৰ্ট অ' প্ৰিন্স কাৰাগাৰত সশস্ত্ৰ বিদ্ৰোহী সংগঠনে সংঘটিত কৰা আক্ৰমণত কমেও ১২ জন লোক নিহত হোৱাৰ লগতে প্ৰায় ৩৭০০ জন কয়দীয়ে কাৰাগাৰৰ পৰা পলায়ন কৰে। ইয়াৰ পিছতে এয়া ৰাষ্ট্ৰীয় শেষাংশ ৩ পৃষ্ঠাত



## যোৰহাটতেই বিচাৰি আছে গৌৰৱে!

**ই-সংবাদ, ৪ মাৰ্চঃ** ৯ মাৰ্চৰ পৰা দিল্লীত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নিৰ্বাচনী সমিতিৰ বৈঠক অনুষ্ঠিত হ'ব। তাৰ পূৰ্বে ন্যায় যাত্ৰাত ব্যস্ত থকা ৰাহুল গান্ধীক মধ্য প্ৰদেশৰ শেষাংশ ৩ পৃষ্ঠাত

## নিৰ্বাচনী বণ্ডৰ তথ্য দিবলৈ ৩০ জুনলৈ সময় বিচাৰিলে ষ্টেট বেংকে

### উচ্চতম ন্যায়ালয়ক জনালে অনুৰোধ



**নতুন দিল্লী, ৪ মাৰ্চঃ** নিৰ্বাচন আয়োগক নিৰ্বাচনী বণ্ড সম্পৰ্কীয় তথ্য প্ৰদানৰ সময়সীমা ৩০ জুনলৈ বৃদ্ধি কৰিবলৈ উচ্চতম ন্যায়ালয়ক অনুৰোধ শেষাংশ ৪ পৃষ্ঠাত

## ৰাজধানীত আঁচনিৰ বৰষুণ, বিমানবন্দৰ সংযোগী পথ হ'ব চাৰিলেনযুক্ত

# উত্তৰ গুৱাহাটী দলঙৰ দক্ষিণ পাৰৰ ক'ৰিডৰ মুকলি

**ই-সংবাদ, ৪ মাৰ্চঃ** ৰাজ্যৰ ৰাজধানীত আজি আঁচনি ৰূপায়ণত ব্যস্ত দেখা গ'ল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। ৰাজ্যৰ কেইবাখনো জিলাত কেইবা কোটি টকাৰ আঁচনিৰ আধাৰশিলা আৰু মুকলি কৰাৰ পাছতে আজি দিনটোত কামৰূপ মহানগৰ আৰু কামৰূপ গ্ৰাম্য জিলাত কেইবা কোটি টকাৰ আঁচনি মুকলি আৰু অধাৰশিলা স্থাপন কৰে। গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙৰ এলিভেটেড দক্ষিণ পাৰৰ কৰিডৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰে। গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী অশোক সিংহাল, মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মা, অগপৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপস্থিতিত আজি গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙৰ দক্ষিণ পাৰৰ কৰিডৰ মুকলি কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত কৰিডৰে ভূতনাথৰ পৰা মাছখোৱালৈ যান-বাহনৰ সংখ্যা হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী মুকলি কৰি কয় যে কৰিডৰ নিৰ্মাণত ৩২৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হৈছে। উচ্চাভিলাষী প্ৰকল্পৰ ইতিমধ্যে ৮২ শতাংশ সম্পূৰ্ণ হৈছে। ২০২৪ চনৰ ডিচেম্বৰত শেষাংশ ৫ পৃষ্ঠাত

## মাজুলীৰ মুখাশিল্প, সাঁচিপাতৰ পুথিয়ে পালে ভৌগোলিক স্বীকৃতি

### নদীদ্বীপৰ চৌদিশে আনন্দৰ লহৰ




**পৰাণজ্যোতি বৰা, মাজুলী, ৪ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতে এটা খবৰে ৰাজ্যখনলৈ সুখৰ বতৰা কঢ়িয়াই আনিছে। অসমৰ শেষাংশ ৫ পৃষ্ঠাত

## কৰ্কটত আক্ৰান্ত ইছৰ'ৰ মুৰব্বী সোমনাথ!

**চেন্নাই, ৪ মাৰ্চঃ** কৰ্কট ৰোগত আক্ৰান্ত হৈছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰ'ৰ মুৰব্বী এছ সোমনাথ। ভাৰতৰ সূৰ্য্য অভিযানৰ দিনটোতে পেটত কৰ্কট ৰোগ ধৰা পৰিছিল এছ সোমনাথৰ। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ইছৰ'ৰ মুৰব্বীগৰাকীয়ে কয় যে আদিত্য শেষাংশ ৫ পৃষ্ঠাত





আদিংগিৰি ৰাষ্ট্ৰীয় নাট্য উৎসৱৰ এটি বিশেষ দৃশ্য

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটেই বিচাৰি আছে গৌৰৱে!

গোৱালিয়াৰত সাক্ষাৎ কৰে ভূপেন বৰাই৷ ভূপেন বৰাই অসমৰ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰি গুৱাহাটীলৈ উভতি আহিছে৷ আজি ভূপেন বৰা গুৱাহাটীত উপস্থিত হোৱাৰ পাছতে কংগ্ৰেছৰ ভিতৰচ'ৰাত আৰম্ভ হৈছে ব্যাপক তৎপৰতা৷ উজনি, নামনিৰ অসম প্ৰদেশ কংগ্ৰেছৰ অতি বিশ্বস্ত আৰু পুৰণি নেতাসকললৈ প্ৰেৰণ কৰা হৈছে গোপন বাৰ্তা৷ বিশেষকৈ বিৰোধী দলপতি দেবব্ৰত শইকীয়াৰ হকে প্ৰচাৰ আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে৷ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলা সমিতিৰ বিশ্বস্ত আৰু অতি পুৰণি নেতাসকলক সক্ৰিয় হ'বলৈ কোৱা হৈছে৷ আহোম ভোট আৰু হিতেশ্বৰ শইকীয়াৰ লিগেচীক লৈ তৎপৰ হ'বলৈ কোৱা হৈছে৷ কংগ্ৰেছে যিকোনো কাৰণত যোৰহাট সমষ্টি দখল কৰিব খোজে৷ তাৰ বাবে বিৰোধী দলপতি, প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ পুত্ৰক যোৰহাট সমষ্টিত প্ৰাৰ্থী কৰাৰ সিদ্ধান্ত লোৱা হৈছে৷ ইপিনে সূত্ৰটোৱে অন্তিম মুহূৰ্তত যোৰহাটত প্ৰাৰ্থী সলনি হ'ব পাৰেও বুলিও উল্লেখ কৰিছে৷ যোৰহাট সমষ্টিত গৌৰৱ গগৈৰ নামো বিবেচনা কৰা হৈছে বুলি দাবী কৰিছে৷ গৌৰৱ গগৈক যোৰহাটত টিকট দিলে দেবব্ৰত শইকীয়াৰ নাম তালিকাৰ পৰা আতৰ কৰা হ'ব৷ গৌৰৱ গগৈৰ বাবে বিকল্প হিচাপে ৰখা হৈছে নগাঁও সমষ্টি৷ নিখিল ভাৰত কংগ্ৰেছৰ প্ৰাৰ্থী তালিকা সমিতিৰ জৰীপ সমিতিৰ সৈতে জড়িত এটা সূত্ৰই এই কথা প্ৰকাশ কৰিছে৷ সূত্ৰটোৱে কেৱল যোৰহাট সমষ্টিৰে নহয় আন কেইবাটাও সমষ্টিৰ প্ৰাৰ্থীৰ কথা প্ৰকাশ কৰিছে৷ এই অনুযায়ী গুৱাহাটী সমষ্টি কংগ্ৰেছে নিজৰ হাতত ৰাখিব৷ গুৱাহাটী সমষ্টিত মীৰা বৰঠাকুৰৰ টিকট প্ৰায় চূড়ান্ত হৈছে৷ গুৱাহাটীত মীৰা বৰঠাকুৰ প্ৰাৰ্থী হোৱাটো খাটাং৷ আনহাতে, নগাঁৱত প্ৰদ্যুৎ বৰদলৈ, কাজিৰঙা ৰজলীনা তিৰ্কী, শোণিতপুৰত প্ৰেমলাল গুঞ্জু, ধুবুৰীত ৰকিবুল হুছেইন, বৰপেটাত দ্বীপ বায়নৰ টিকট চূড়ান্ত হৈছে৷ আনহাতে, লখিমপুৰত উদয় শংকৰ হাজৰিকা, কৰিমগঞ্জত হাফিজ ৰশ্বিদ চৌধুৰী, শিলচৰত নৈঋতা জয়শুক্লা, দৰং-মঙলদৈত মাধৱ ৰাজবংশীয়ে টিকট পোৱাটো চূড়ান্ত হৈছে৷ অৱশ্যে আন এটা সূত্ৰই কংগ্ৰেছৰ প্ৰাৰ্থী তালিকাই সকলোকে আচৰিত কৰিব বুলিও ক'ব খোজে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৯ৰ চকীদাৰ' ২৪ত

দৰাচলতে শেহতীয়াকৈ বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আৰজেডিৰ নেতা লালুপ্ৰসাদ যাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক 'পৰিয়ালবাদ'ক লৈ কটুক্তি কৰাৰ পিছতে তাৰ প্ৰতিক্ৰিয়াস্বৰূপে নিজৰ নামৰ সৈতে 'মোদী কা পৰিয়াল' লিখি প্ৰচাৰ আৰম্ভ কৰিছে বিজেপিৰ নেতাসকলে। ইফালে বিহাৰত নৰেন্দ্ৰ মোদীৰ সমাবেশতো বিৰোধীৰ বিৰুদ্ধে মূল অস্ত্ৰৰূপে প্ৰধানমন্ত্ৰীয়ে ব্যৱহাৰ কৰা দেখা যায় পৰিয়াল ব্যৱস্থাৰ অভিযোগক। উল্লেখ্য যে, দেওবাৰে পাটনাত বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ এখন ৰাজহুৱা সভাত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুৱে কয়, 'মোদীয়ে বাৰে বাৰে দাবী কৰিছে যে বিৰোধীয়ে পৰিয়ালৰ বাবে যুঁজিছে। মই ক'ব বিচাৰো যে আপোনাৰ (নৰেন্দ্ৰ মোদী) পৰিয়াল নাই।' লালু প্ৰসাদৰ এই মন্তব্যৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় ৰাজনৈতিক মহলত। 'মোদীৰ কোনো পৰিয়াল নাই' বুলি লালুৱে কৰা মন্তব্যক লৈ বিজেপিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সোমবাৰে পুৱাৰে পৰা বিজেপিৰ কেইবাজনো সৰু-বৰ নেতাই নিজৰ এক্স হেণ্ডেলত নাম সলনি কৰিবলৈ আৰম্ভ কৰে আৰু নামৰ কাষত 'মোদী কা পাৰিৱাৰ' লিখে। ইয়াৰ দ্বাৰা তেওঁলোকেই মোদীৰ পৰিয়াল বুলি নিজকে প্ৰমাণিত কৰিব বিচৰা পৰিলক্ষিত হয়। সোমবাৰে লালুৰ এই কটুক্তিৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মোদীয়েও। তেলেংগানাত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয়, 'বিৰোধীয়ে মোৰ পৰিয়ালক আক্ৰমণ কৰিছে। কিন্তু আজি গোটেই দেশখনে মোৰ পৰিয়াল হৈ পৰিছে। মোৰ বাবে দেশৰ ১৪০ কোটি জনতাই পৰিয়াল। মোৰ জীৱনটো এখন খোলা কিতাপৰ দৰে। ইণ্ডিয়া মিত্ৰজোঁটৰ নেতাসকল দুৰ্নীতিৰ সৈতে জড়িত। নিজৰ পৰিয়ালৰ বাহিৰে আন একো বুজি নাপায়।' ইয়াৰ পিছতে সকলোৱে ছ'চিয়েল মিডিয়াত নিজৰ নামৰ পিছফালে মোদী কা পৰিবাৰ লিখিবলৈ আৰম্ভ কৰে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বাকী নেতাসকলেও নিজৰ ছ'চিয়েল মিডিয়া একাউণ্টত নিজৰ নামৰ পিছত মোদী কা পৰিবাৰ বুলি সংলগ্ন কৰা দেখা গৈছে। মন কৰিবলগীয়া যে, ২০১৯ৰ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা 'চকীদাৰ চোৰ হ্যে' মন্তব্যৰ প্ৰতিক্ৰিয়াস্বৰূপে ছ'চিয়েল মিডিয়াত 'মে ভী চকীদাৰ' লিখি প্ৰচাৰ চলাইছিল খোদ মোদী আৰু বিজেপিৰ অন্য নেতাসকলে। বিজেপিৰ এই প্ৰচাৰ কৌশলক এতিয়া বিৰোধীয়ে কিদৰে প্ৰত্যুত্তৰ দিয়ে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# একেলগে জে'লৰ পৰা পলাল

নিৰাপত্তাৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰি কেৰিবিয়ান দেশখনত ৭২ ঘণ্টাৰ বাবে জৰুৰীকালীন অৱস্থা ঘোষণা কৰে ৰাষ্ট্ৰপতি এৰিয়েল হেনৰীয়ে। উল্লেখ্য যে, ২০২০ চনৰ পৰাই হাইটিত সশস্ত্ৰ বিদ্ৰোহী সংগঠন আৰু চৰকাৰৰ মাজত সংঘাত অব্যাহত আছে। ৰাষ্ট্ৰপতি এৰিয়েল হেনৰীৰ পদত্যাগ দাবীৰে সশস্ত্ৰ বিদ্ৰোহী সংগঠনে সংঘটিত আক্ৰমণত এতিয়ালৈকে কেইবাহাজাৰ লোকৰ মৃত্যু ঘটিছে। ইফালে যোৱা বৃহস্পতিবাৰৰ পৰাই অধিক তীব্ৰতৰ হৈ পৰিছে হাইটিৰ হিংসাত্মক পৰিস্থিতি। প্ৰধানমন্ত্ৰীৰ নাইৰোবি ভ্ৰমণৰ সময়তে বৃহস্পতিবাৰে ৰাজধানী প'ৰ্ট অ' প্ৰিন্সৰ দুখন কাৰাগাৰত আক্ৰমণ সংঘটিত কৰে বিদ্ৰোহী সংগঠনে। সশস্ত্ৰ সংগঠনৰ নেতাসকলে দাবী কৰা মতে, ইতিমধ্যে প'ৰ্ট অ' প্ৰিন্সৰ ৮০ শতাংশ অঞ্চল দখল কৰিছে তেওঁলোকে। প্ৰায় ১.১৪ কোটি জনসংখ্যাৰ দেশখনত বৃদ্ধি পোৱা হিংসাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে সান্ধ্য আইন জাৰি কৰাৰ কথা ঘোষণা কৰিছে। ইফালে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেনিয়াৰ বহুজাতিক নিৰাপত্তাৰক্ষীক দেশখনলৈ প্ৰেৰণ কৰাৰ বিষয়েও আলোচনা চলি আছে। ইফালে দেশখনৰ এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিছে আমেৰিকাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদৰ্শ ধৰি ৰাখিয়েই প্ৰাক্তন

অসুস্থ হৈ স্থিতপ্ৰজ্ঞ ৰাজনীতিবিদ ৰমণী বৰ্মনৰ জীৱনৰ শেষ ঠিকনা আছিল ভাৰাঘৰ৷ ভাৰাঘৰৰ বিছনাতে শেষ নিশ্বাস ত্যাগ কৰে৷ ১৯৭৮ চনত বিধানসভা নিৰ্বাচনত ধৰ্মপুৰ বিধানসভাৰ পৰা নিৰ্বাচিত হয়৷ ভূমিধৰ বৰ্মনক ৩৩৬৩টা ভোটত পৰাস্ত কৰিছিল ৰমণী বৰ্মনে৷ সফল ট্ৰেড ইউনিয়ন নেতা ৰমণী বৰ্মনে সদায় বাক-স্বাধীনতাৰ পক্ষত অতন্দ্ৰ প্ৰহৰীৰ ৰূপত থিয় দি আছিল। লাহ-বিলাহত উটি ভাঁহি নোযোৱা জননেতা আছিল বৰ্মন৷ দুৰ্নীতিৰ ধন কোৰোণাৰে গোটোৱা নাছিল৷ মন্ত্ৰীত্ব যোৱাৰ পাছত টকাৰ অভাৱত অৱস্থা তথৈবচ হৈছিল৷ জমা ধন নাছিল৷ গুৱাহাটীত মাটি-ঘৰ কৰিব পৰা নাছিল৷ ৰাজনীতি সামৰি নলবাৰীলৈ আহি সাধাৰণভাবে জীৱন নিৰ্বাহ কৰিছিল৷ মূল্যবোধৰ ৰাজনীতি কৰা ৰমণী বৰ্মনে জীৱনৰ বিয়লি বেলাত ভাৰাঘৰৰ কোঠাত সাধাৰণ লোকৰ দৰেই দিন কটাইছিল৷ ১৯৭৮ চনৰ জনতা পাৰ্টিৰ গোলাপ বৰবৰা নেতৃত্বাধীন অসম চৰকাৰৰ শিক্ষা আৰু গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী আছিল। তাৰ পূৰ্বে নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক আছিল অধ্যাপক ৰমণী বৰ্মন৷ প্ৰজ্ঞাৰ সাধক ৰমণী বৰ্মনে ভাৰাঘৰৰ বিচনাত শয্যাগত হৈ আছিল আৰু ভাৰাঘৰেই আজি শেষ নিশ্বাত ত্যাগ কৰে। সমাজবাদী ৰাজনীতিকগৰাকীয়ে অসমৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰিছিল৷ জনতাৰ হকে সংগ্ৰাম কৰিছিল৷ কিন্তু নিজৰ বাবে একোকে আহৰণ নকৰিলে৷ কিন্তু জীৱনৰ বিয়লি বেলাত একালৰ শিক্ষাবিদ তথা শিক্ষামন্ত্ৰীগৰাকী নিসংগ হৈ দিন পাৰ কৰিছিল। অসমৰ মানুহে খবৰ এটা লবলৈ আহৰি পোৱা নাছিল। নলবাৰীৰ ভাৰাঘৰত নিৰৱে নিশব্দে শয্যাগত হৈ আছিল। প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমণী বৰ্মনৰ পত্নীৰ মৃত্যু হৈছে৷ ১৯৯৫ চনত পুত্ৰক নলবাৰী চহৰৰ  মাজমজিয়াত আলফাই গুলীয়াই হত্যা কৰিছিল। ১৯৭৬ চনৰ ৬ ডিচেম্বৰত পিতৃৰ মৃত্যুৰ দিনা মুখাগ্নি কৰিবলৈ নলবাৰী জেইলৰ পৰা এঘণ্টাৰ বাবে ৰাজহুৱা শ্মশানলৈ আহিছিল ৰমণী বৰ্মন৷ পাছত মুকলি হৈ আহি পুত্ৰৰ পৰিচৰ্যাত আছিল বৰ্মন। শেহতীয়াকৈ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। হৃদয়ৰ সংলাপ নামৰ আত্মজীৱনীত বহু কথা লিপিবদ্ধ কৰিছিল ৰমণী বৰ্মনলৈ এইবেলি আগবঢ়োৱা হৈছে জীৱন শিল্পী আদ্য শৰ্মা বঁটা। ২২ ফেব্ৰুৱাৰীত নলবাৰী আৰ্ট স্কুলে আনুষ্ঠানিক ভাৱে এই বঁটা প্ৰদান কৰে। ৰমণী বৰ্মনৰ মৃত্যুত নলবাৰীৰ লগতে সমগ্ৰ অসমত শোকৰ ছাঁ পৰিছে। ৰমণী বৰ্মনৰ মৃত্যুত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গভীৰ দুখ প্ৰকাশ কৰিছে৷ ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰ তথা সমাজ জীৱনৰ বাবে গভীৰ ক্ষতি বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়৷ শোকস্তব্ধ পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনী বণ্ডৰ তথ্য দিবলৈ

জনাইছে ভাৰতীয় ষ্টেট বেংকে। যোৱা মাহত উচ্চতম ন্যায়ালয়ে দিয়া ঐতিহাসিক ৰায়দানত নিৰ্বাচনী বণ্ড আঁচনিখন বাতিল কৰি এছ বি আইক ৬ মাৰ্চৰ ভিতৰত নিৰ্বাচন আয়োগক এই তথ্য দিবলৈ কয়। উচ্চতম ন্যায়ালয়ে নাগৰিকৰ তথ্যৰ অধিকাৰ খৰ্ব কৰা বুলি অভিহিত কৰি বিতৰ্কিত নিৰ্বাচনী বণ্ড আঁচনিৰ অন্ত পেলায়। ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে কয় যে নিৰ্বাচনী বণ্ড আঁচনিখন অসাংবিধানিক আৰু স্বেচ্ছাচাৰী আৰু ইয়াৰ ফলত ৰাজনৈতিক দল আৰু দাতাৰ মাজত কুইড প্ৰ’ ক’ ব্যৱস্থা হ’ব পাৰে। উচ্চতম ন্যায়ালয়ে এছ বি আইক এই বণ্ডসমূহ জাৰি কৰা বন্ধ কৰি এই মোডৰ জৰিয়তে প্ৰদান কৰা অনুদানৰ সবিশেষ ন্যায়ালয়কত দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। ইয়াৰ পিছতে নিৰ্বাচন আয়োগক ১৩ মাৰ্চৰ ভিতৰত এই তথ্য নিজৰ ৱেবছাইটত প্ৰকাশ কৰিবলৈ কোৱা হয়। পাঁচগৰাকী ন্যায়াধীশৰ সংবিধান বিচাৰপীঠে কয় যে ক’লা ধনৰ বিৰুদ্ধে যুঁজ দিয়া আৰু দাতাৰ গোপনীয়তা বজাই ৰখাৰ উল্লেখিত উদ্দেশ্যই এই আঁচনিখন ৰক্ষা কৰিব নোৱাৰে৷ নিৰ্বাচনী বণ্ড ক’লা ধন ৰোধ কৰাৰ একমাত্ৰ উপায় নহয় বুলি আদালতে কয়। উল্লেখ্য যে, ৰাজনৈতিক ব্যৱস্থাত ক’লা ধনৰ প্ৰৱেশত বাধা দিয়াৰ উদ্দেশ্যৰে ২০১৮ চনত নিৰ্বাচনী বণ্ড আঁচনিখন প্ৰৱৰ্তন কৰিছিল মোদী চৰকাৰে। কিন্তু আঁচনিখন কাৰ্যকৰী হোৱাৰ কিছু সময়ৰ পিছতে একাধিক পক্ষই আদালতত প্ৰত্যাহ্বান জনায়। এই আঁচনিখনৰ জৰিয়তে তথ্য জনাৰ অধিকাৰত বাধা আৰোপ কৰা হৈছে বুলি দাবী কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল চিপিএম, কংগ্ৰেছ নেত্ৰী জয়া ঠাকুৰ আৰু এছ’চিয়েচন ফৰ ডেম’ক্ৰেটিক ৰিফৰ্মছ-য়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

তৃতীয় পৃষ্ঠাৰ পৰা...

# উত্তৰ গুৱাহাটী দলঙৰ দক্ষিণ

প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰাৰ কথা আছে। ৬ লেনৰ পথ-দলং প্ৰকল্পৰ উদ্দেশ্য হৈছে গুৱাহাটীত যান-জঁট হ্ৰাস কৰা। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰিবলৈ ব্ৰহ্মপুত্ৰক লৈ নিৰ্মাণ কৰা প্ৰকল্প ২০২৪ চনৰ দেৱালীৰ ভিতৰত সম্পূৰ্ণ হ'ব। ইপিনে বিকাশ যাত্ৰাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ গৌৰীপুৰ টি-জংচনত ট্ৰামপেট ইণ্টাৰচেঞ্জৰ ভূমি পূজন কৰে। প্ৰায় ৪০৮ কোটি টকা ব্যয় সাপেক্ষে ৫.৪৮২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ট্ৰামপেট ইণ্টাৰচেঞ্জৰ জৰিয়তে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলঙেৰে যান-জঁটৰ সমস্যা হ্ৰাস পাব। গৌৰীপুৰ টি-জংচনত যান-জঁটৰ সমস্যা নিয়ন্ত্ৰণ, দুৰ্ঘটনা হ্ৰাস হোৱাৰ লগতে অহা-যোৱাৰ সময়ো বহুখিনি ৰাহি হ'ব বুলি মত ব্যক্ত কৰে ডঃ হিমন্ত বিশ্ব শৰ্মাই। গুৱাহাটীৰ আজাৰাত ১০০ বিছনাযুক্ত জিলা চিকিৎসালয়ৰ আধাৰশিলাও স্থাপন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। বিশ্ব বেংকৰ পৰা ১১৬ কোটি টকাৰ পুঁজিৰ প্ৰকল্প ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া চিকিৎসালয়খন নিৰ্ধাৰিত ২০২৬ চনত সম্পূৰ্ণ হ'ব আৰু ৰাজ্যত ৰাজহুৱা স্বাস্থ্য সেৱা প্ৰদানত যথেষ্ট অৰিহণা যোগাব বুলি দাবী কৰে মুখ্যমন্ত্ৰীয়ে। গুৱাহাটীত ভিআইপি জংচনৰ পৰা ধাৰাপুৰ জংচনলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ সংযোগী বৰ্তমানৰ পথক চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণ প্ৰকল্পৰো ভূমি পূজন কৰে মুখ্যমন্ত্ৰীয়ে। পিএম-ডিভাইন আঁচনিৰ অধীনত ৩৫৮ কোটি ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ হ'বলগীয়া পথটো সম্পূৰ্ণ হোৱাৰ পাছত গুৱাহাটীবাসীৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণে যাতায়াতৰ ক্ষেত্ৰত সৰলীকৃত সুবিধা লাভ কৰিব বুলি কয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই।

তৃতীয় পৃষ্ঠাৰ পৰা...

# মাজুলীৰ মুখাশিল্প, সাঁচিপাতৰ

কয় যে আদিত্য এল১ অভিযান মহাকাশলৈ উৎক্ষেপণ কৰাৰ দিনটোতে পুৰা নিয়মীয়া স্বাস্থ্য পৰীক্ষাত পেটত কৰ্কট ৰোগ ধৰা পৰিছিল তেওঁৰ। তেওঁ কয় যে ইয়াৰ পিছতে তেওঁ চেন্নাইলৈ গৈ পুনৰ স্কেনিং কৰে আৰু আন আন পৰীক্ষা কৰে। এছ সোমনাথে কয় যে পৰৱৰ্তী সময়ত তেওঁক চিকিৎসকে অস্ত্ৰোপচাৰৰ পৰামৰ্শ দিয়ে আৰু তাৰ পিছত কেমোথেৰাপি প্ৰদান কৰে। ইছৰোৰ মুৰব্বীয়ে সাক্ষাৎকাৰত কয়, 'মোৰ আৰু মোৰ পৰিয়ালৰ সদস্যসকলৰ বাবে এইটো আছিল অতি চিন্তাজনক পৰিস্থিতি, কিন্তু চিকিৎসাই আছিল একমাত্ৰ সমাধান, যিটো সময়মতে কৰাটোও প্ৰয়োজনীয় আছিল। কৰ্কট ৰোগৰ চিকিৎসা কৰিব পাৰি, কিন্তু ই দুৰাৰোগ্য নহয়। নিশ্চিতভাৱে মোৰ আৰু মোৰ পৰিয়ালৰ বাবে কঠিন সময় আছিল। চিকিৎসকে নিয়মীয়াকৈ স্কেনিং কৰাৰ পৰামৰ্শ দিছে। এই মুহূৰ্তত মই ভালেই আছো।' উল্লেখযোগ্য যে ২০২৩ চনৰ ২ ছেপ্টেম্বৰত আদিত্য এল ১ মিছনে সূৰ্য্য অধ্যয়নৰ বাবে যাত্ৰা আৰম্ভ কৰিছিল। সেইদিনাই পুৰা কৰ্কট ৰোগ ধৰা পৰিছিল ইছৰ'ৰ মুৰব্বী এছ সোমনাথৰ। কেন্সাৰৰ বিৰুদ্ধে জয়ী হোৱাৰ পিছত এক সাক্ষাৎকাৰত তেওঁ কয় যে সেই সময়ত চিকিৎসাৰ বিষয়ে মই নিশ্চিত নাছিলো যদিও প্ৰক্ৰিয়াটোৰ মাজেৰে গৈ আছিলো। অৱশ্যে মাত্ৰ চাৰিদিন চিকিৎসালয়ত কটোৱাৰ পিছত পঞ্চম দিনৰ পৰা কোনো কষ্ট নোহোৱাকৈ পুনৰ কৰ্তব্য আৰম্ভ কৰিছিলো। খবৰ অনুসৰি ইছৰোৰ মুৰব্বীগৰাকী পেটৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসকৰ নিয়মীয়া তত্বাৱধানত আছে। উল্লেখ্য যে সম্প্ৰতি দেশত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে কৰ্কট ৰোগত আক্ৰান্ত লোকৰ সংখ্যা। ইয়াৰ মাজতে ১০০ টকাত ৰোগবিধৰ ঔষধ ওলোৱাৰ খবৰো প্ৰকাশ পাইছে। অৱশ্যে এতিয়াও এই সম্পৰ্কে কোনোধৰণৰ নিশ্চিত তথ্য পোৱা হোৱা নাই।

তৃতীয় পৃষ্ঠাৰ পৰা...

# কৰ্কটত আক্ৰান্ত ইছৰ'ৰ মুৰব্বী

মান-অভিমান স্বৰূপ নদীদ্বীপ মাজুলীলৈ আহিছে এই খবৰ। মাজুলীৰ মুখাশিল্প আৰু সাঁচিপাতৰ পুথিয়ে বিশেষ স্বীকৃতি লাভ কৰিছে। মাজুলীৰ মুখাশিল্প আৰু সাঁচিপাতৰ পুথিক ভৌগোলিক স্বীকৃতি প্ৰদান কৰা হৈছে। এতিয়াৰ পৰা মাজুলীৰ মুখাশিল্প আৰু সাঁচিপাতৰ পুথি ভৌগোলিকভাৱে মাজুলীৰ উৎপত্তি বুলি স্বীকৃতি দি জি.আই টেগ দিয়া হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্ম তথা গুৰুজনাৰ সৃষ্টিৰাজিৰ অপূৰ্ব নিদৰ্শন হৈছে মাজুলীৰ মুখাশিল্প। পোন্ধৰ শতিকাত মুখাই বিশেষভাৱে ভাওনাৰ অভিনয়ত স্থান পাইছিল। মাজুলীৰ মুখা শিল্প আৰু সাঁচিপাতৰ চিত্ৰক জি.আই টেগ প্ৰদান কৰা হৈছে। অসমৰ পৰম্পৰাগত লোক কলাক মুখাশিল্পক স্বীকৃতি দিয়াত উৎফুল্লিত হৈ পৰিছে মাজুলীবাসী। ২০২২ বৰ্ষৰ পৰা দীৰ্ঘ পৰিক্ৰমা অন্তত জি.আই টেগ লাভ কৰিলে মাজুলীৰ দুই সম্পদে। কৃষ্টি কঠিয়া নামৰ সামাজিক সাংস্কৃতিক সংস্থাই আবেদন জনাই আহিছিল। এই প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ নাবাৰ্ডৰ দ্বাৰা অৰ্থ সাহায্য আগবঢ়োৱা হৈছিল। এই স্বীকৃতিয়ে বিশেষভাৱে উৎফুল্লিত কৰিছে মুখাশিল্প প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা সংগীত নাটক অকাডেমি বঁটা প্ৰাপক মুখা শিল্পৰ সাধক মাজুলীৰ হেমচন্দ্ৰ গোস্বামীক। মুখাশিল্পই জি.আই টেগ পোৱাটো মোৰ বাবে সৌভাগ্য কথা বুলি কয় হেমচন্দ্ৰ গোস্বামীয়ে। বিশেষকৈ দুটা অনুষ্ঠান জড়িত হৈ আছে নাবাৰ্ড আৰু কৃষ্টি কঠিয়া। তেখেতসকলে বহু কষ্ট কৰি এই স্বীকৃতি অনাত উৎফুল্লিত হৈছো। গুৰুজনাই দি থৈ যোৱা সম্পদ দুটাৰ স্বীকৃতি অসমৰ বাইজে লাভ কৰিছে বুলি উল্লেখ কৰে হেমচন্দ্ৰ গোস্বামীয়ে। মাজুলীৰ মুখাশিল্প আৰু সাঁচি পাতৰ পুথিৰ স্বীকৃতি প্ৰতিজন অসমীয়াৰ বাবে গৌৰৱৰ বিষয়। শিল্পকলাৰ সৈতে জড়িত স্বাভিমান মুখাশিল্প আৰু সাঁচিপাতৰ পুথিয়ে জাতিটোক আকৌ এবাৰ নতুনকৈ পৰিচিত কৰিলে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মাজুলীবাসীয়ে এই দাবী উত্থাপন কৰি আহিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উপঢৌকন লৈ ভোট দিয়া সাংসদ

স্পষ্ট কৰি দিলে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। আদালতৰ এই ৰায়দানৰ পিছতে এতিয়া এতিয়া যদি কোনো সাংসদ বা বিধায়কে উৎকোচ লৈ সদনত ভাষণ দিয়ে বা ভোট দিয়ে, তেতিয়া তেওঁলোকৰ বিৰুদ্ধে আদালতত অপৰাধমূলক গোচৰ ৰুজু হ'ব পাৰে। সোমবাৰে উচ্চতম ন্যায়ালয়ৰ সাতজনীয়া বিচাৰপীঠে এই ৰায় প্ৰদান কৰাৰ সময়ত মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে কয়, "বিধায়িনী বিশেষাধিকাৰৰ উদ্দেশ্য হৈছে সদনক সামূহিকভাৱে বিশেষাধিকাৰ প্ৰদান কৰা। আনহাতে ১০৫/১৯৪ নং অনুচ্ছেদৰ উদ্দেশ্য হৈছে সদস্যসকলৰ বাবে এক ভয়মুক্ত পৰিৱেশ সৃষ্টি কৰা। দুৰ্নীতি আৰু উৎকোচে সংসদীয় গণতন্ত্ৰক ধ্বংস কৰিবলৈ গৈ আছে।" আইনী সম্পৰ্কীয় ৱেবছাইট লাইভ ল'ৰ মতে, পিভি নৰসিংহ ৰাও গোচৰৰ ১৯৯৮ চনৰ ৰায়দানৰ কথা উল্লেখ কৰি দেশৰ মুখ্য ন্যায়াধীশে কয়, "পিভি নৰসিংহ ৰাও গোচৰৰ ৰায়দানে এক বিৰোধমূলক পৰিস্থিতিৰ সৃষ্টি কৰে, য'ত উৎকোচ লোৱা এজন বিধায়ক আৰু যদি তেওঁ সেই অনুসৰি ভোট দিয়ে , তেওঁ নিৰাপদ।" উল্লেখ্য যে, ১৯৯৮ চনত পি ভি নৰসিংহ ৰাও বনাম ভাৰত গণৰাজ্যৰ গোচৰত ৩-২ ভোটৰ সংখ্যাগৰিষ্ঠতাৰে পাঁচজনীয়া বিচাৰপীঠে ৰায় প্ৰদান কৰিছিল যে সংসদ আৰু বিধানসভাত ভাষণ আৰু ভোটৰ বাবে উৎকোচ লোৱাৰ ক্ষেত্ৰত বিধায়ক-সাংসদসকল অপৰাধমূলক গোচৰৰ পৰা মুক্ত হ'ব। এয়াই তেওঁলোকৰ বিশেষাধিকাৰ। অৰ্থাৎ সদনত কৰা কোনো কামৰ বাবে এগৰাকী সাংসদ বা বিধায়কৰ বিৰুদ্ধে গোচৰ চলাব নোৱাৰিব। আইনী সম্পৰ্কীয় ৱেবছাইট বাৰ এণ্ড বেঞ্চৰ মতে, মুখ্য ন্যায়াধীশ চন্দ্ৰচুড়ে কয় – "আজিৰ ৰায়দান কৰাৰ সময়ত আমি নৰসিংহ ৰাওৰ ৰায়দানৰ সৈতে একমত নহয় আৰু উৎকোচ লোৱাৰ ক্ষেত্ৰত সাংসদ আৰু বিধায়কে নিজৰ বিশেষাধিকাৰ দাবী কৰিব পাৰে বুলি দিয়া ৰায়ক নাকচ কৰিছো।" ন্যায়ালয়ে পুনৰ কয়, 'কোনো এগৰাকী বিধায়ক বা সাংসদে এনে বিশেষাধিকাৰ প্ৰয়োগ কৰিব নোৱাৰে। এই বিশেষাধিকাৰ সামূহিকভাৱে সমগ্ৰ সদনক দিয়া হৈছে। নৰসিংহ ৰাওৰ গোচৰত দিয়া সিদ্ধান্ত সংবিধানৰ ১০৫ (২) আৰু ১৯৪ অনুচ্ছেদৰ বিৰোধী।" ইফালে সোমবাৰে উচ্চতম ন্যায়ালয়ে এই ৰায়দান প্ৰদান কৰাৰ পিছতে এই সিদ্ধান্তক আদৰণি জনাইছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ টুইটাৰত লিখিছে যে এই সিদ্ধান্তই স্বচ্ছ ৰাজনীতি নিশ্চিত কৰিব। মন কৰিবলগীয়া যে, ইয়াৰ পূৰ্বে সংবিধানৰ ১৯৪ (২) অনুচ্ছেদত কোৱা হৈছে যে কোনো সংসদ বা কোনো ৰাজ্যৰ বিধানসভাৰ কোনো সদস্যই সদনত কোৱা কথা বা সদনত দিয়া কোনো ভোটৰ বাবে কোনো আদালতত জবাবদিহি নহ'ব। লগতে সংসদ বা বিধানসভাৰ কোনো প্ৰতিবেদন বা প্ৰকাশৰ সন্দৰ্ভতো কোনো ব্যক্তি কোনো আদালতত জবাবদিহি নহ'ব।

# চণ্ডীগড়ৰ ডেপুটি মেয়ৰ পদত জয়ী হল বিজেপিৰ প্ৰাৰ্থী

**চণ্ডীগড়, ৪ মাৰ্চঃ** চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনত প্ৰথমে পৰাজিত হৈও উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপত অৱশেষত জয়লাভ কৰিবলৈ সক্ষম হৈছিল আপ-কংগ্ৰেছৰ উমৈহতীয়া প্ৰাৰ্থী কুলদ্বীপ সিঙে। পিছে এইবাৰ পূৰ্ণিগামৰ চিনিয়ৰ ডেপুটি মেয়ৰ আৰু ডেপুটি মেয়ৰ পদত ভাগ্য উদয় নহ'ল আপ-কংগ্ৰেছৰ। সোমবাৰে অনুষ্ঠিত হোৱা পূৰ্ণিগামৰ চিনিয়ৰ ডেপুটি মেয়ৰ আৰু ডেপুটি মেয়ৰ পদত আপ সমৰ্থিত কংগ্ৰেছ প্ৰাৰ্থীক পৰাজিত কৰি জয়ী হয় বিজেপিৰ প্ৰাৰ্থী। চিনিয়ৰ ডেপুটি মেয়ৰ পত বিজেপি প্ৰাৰ্থী কুলজিৎ সিং সন্ধু জয়ী হোৱাৰ বিপৰীতে ডেপুটি মেয়ৰ পদত জয়লাভ কৰে ৰাজিন্দৰ শৰ্মাই। উল্লেখ্য যে, চিনিয়ৰ ডেপুটি মেয়ৰ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী গুৰপ্ৰীত গাবিক সমৰ্থন আগবঢ়াইছিল আম আদমী পাৰ্টিয়ে। এই নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে ১৬টা ভোট লাভ কৰাৰ বিপৰীতে বিজেপি প্ৰাৰ্থীগৰাকীয়ে ১৯টা ভোট লাভ কৰি জয়লাভ কৰে। এটা ভোট বাতিল হয়। মন কৰিবলগীয়া যে, ৩৫ জনীয়া চণ্ডীগড় পূৰ্ণিগামত বিজেপিৰ ১৪ গৰাকী কাউন্সিলাৰ আছিল। কিন্তু আপৰ তিনিজন সদস্যই যোগদান কৰাৰ পাছত এই সংখ্যা ১৭ লৈ বৃদ্ধি পাইছে। ইফালে শিৰোমণি আকালি দলৰ একমাত্ৰ কাউন্সিলাৰগৰাকীয়েও বিজেপিক সমৰ্থন আগবঢ়ায়। ইয়াৰ উপৰিও চণ্ডীগড়ৰ বিজেপি সাংসদ কিৰণ খেৰৰ পূৰ্ণিগামৰ প্ৰাক্তন সদস্য হিচাপে ভোটাধিকাৰ আছে। যাৰ বাবে বিজেপিয়ে সৰ্বমুঠ ১৯টা ভোট লাভ কৰিবলৈ সক্ষম হয়। আনহাতে পূৰ্ণিগামত আপৰ ১০ জন, কংগ্ৰেছৰ ৭ জন কাউন্সিলাৰ আছে। উল্লেখ্য যে, যোৱা ৩০ জানুৱাৰীত চণ্ডীগড়ত অনুষ্ঠিত হৈছিল মেয়ৰ নিৰ্বাচন। মুঠ ৩৬টা বৈধ ভোটৰ ভিতৰত আপ-কংগ্ৰেছৰ মিত্ৰজোঁটে ২০টা লাভ কৰে। আনহাতে বিজেপিৰ মেয়ৰ পদৰ প্ৰাৰ্থী মনোজ সোণকাৰে লাভ কৰে ১৬টা ভোট। কিন্তু পিছত মিত্ৰজোঁটৰ প্ৰাৰ্থী কুলদীপ সিঙে লাভ কৰা আঠটা ভোটক বাতিল বুলি ঘোষণা কৰে প্ৰিজাইডিং অফিচাৰ অনিল মাছিহে। পৰৱৰ্তী সময়ত অনৈতিকভাৱে ভোট বাতিল কৰাৰ ভিডিঅ' মুকলি কৰি আপে উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হয়। ইয়াৰ পিছতে সৰ্বোচ্চ ন্যায়ালয়ে কুলদীপ সিঙক 'বৈধ বিজয়ী' ঘোষণা কৰে।

# ৰাজ্যিক পৰ্যায়ৰ খেল মহাৰণৰ সামৰণি



**ই-সংবাদ, কোকৰাঝাৰ, ০৪ মাৰ্চঃ** কোকৰাঝাৰৰ চহৰৰ সমীপৰ কঠালগুৰিস্থিত ছাই ষ্টেডিয়ামৰ খেল পথাৰত ১ মাৰ্চৰ পৰা আৰম্ভ হোৱা ৰাজ্যিক পৰ্যায়ৰ খেল মহাৰণ প্ৰতিযোগিতা (এথেলেটিকছ) আজি সামৰণি পৰে। ৰাজ্যখনৰ ৩৫ খন জিলাৰ ১৪৩২গৰাকী খেলুৱৈয়ে অংশ গ্ৰহণ কৰা ৰাজ্যিক পৰ্যায়ৰ খেল মহাৰণ প্ৰতিযোগিতাত ৩টা সোণ, ৩টা ৰূপ আৰু ১টা ব্ৰঞ্জৰ পদক লাভ কৰি ডিব্ৰুগড় জিলাই প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। ৩টা সোণ, ১টা ৰূপ আৰু ৩টা ব্ৰঞ্জৰ পদক লাভ কৰি দ্বিতীয় স্থান দখল কৰিছে কামৰূপ জিলাই। আনহাতে খেল মহাৰণ প্ৰতিযোগিতাৰ ১৯ বছৰৰ উৰ্ধৰ লৰা আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ এথেলেটিকছৰ সন্মান লাভ কৰিছে ডিব্ৰুগড়ৰ ডাব্লিউ গোহাঞি আৰু কামৰূপৰ মহানগৰৰ দিখছা ছেত্ৰীয়ে। ১৯ বছৰৰ অনুৰ্ধ লৰা আৰু ছোৱালীৰ শাখাত শ্ৰেষ্ঠ এথেলেটিকছৰ সন্মান লাভ কৰিছে নগাঁৱৰ নয়ন জ্যোতি বৰা আৰু কামৰূপৰ ধৃতীমা উজিৰে। আনহাতে খেল মহাৰণ প্ৰতিযোগিতাৰ ১৯ বছৰৰ উৰ্ধৰ লৰাৰ শাখাত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে কামৰূপ জিলাই আৰু ছোৱালীৰ শাখাত কামৰূপ মহানগৰ জিলাই। ১৯ বছৰৰ অনুৰ্ধৰ লৰাৰ শাখাত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে কামৰূপ মহানগৰ আৰু ছোৱালীৰ শাখাত লাভ কৰিছে ডিব্ৰুগড় জিলাই। উল্লেখ্য যে, খেল মহাৰণ প্ৰতিযোগিতাৰ আজিৰ সামৰণি অনুষ্ঠানত হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, কোকৰাঝাৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# টিকট পায়ো নিৰ্বাচন নেখেলে বিজেপি নেতাই

## ভাইৰেল হৈছিল আপত্তিজনক ভিডিঅ'

**ই সংবাদ, ৪মাৰ্চঃ** বিজেপিয়ে প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰাৰ পিছতে আন এগৰাকী প্ৰাৰ্থীয়ে অস্বীকাৰ কৰিলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ। ভোজপুৰী তাৰকা পৱন সিঙৰ পিছত এইবাৰ প্ৰাৰ্থিত্ব লাভ কৰিও নিৰ্বাচনত অৱতীৰ্ণ নোহোৱাৰ সিদ্ধান্তৰ কথা অৱগত কৰিছে উত্তৰ প্ৰদেশৰ বাৰাংবাকিৰ বৰ্তমানৰ বিজেপি বিধায়ক উপেন্দ্ৰ সিং ৰাৱটে। শেহতীয়াকৈ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা তেওঁৰ এটা আপত্তিজনক ভিডিঅ'ৰ পৰিপ্ৰেক্ষিততে নিৰ্বাচনত অৱতীৰ্ণ নোহোৱাৰ কথা স্পষ্ট কৰে সাংসদগৰাকীয়ে। উল্লেখ্য যে, শেহতীয়াকৈ বিজেপিয়ে প্ৰকাশ কৰা ১৯৫ গৰাকী প্ৰাৰ্থীৰ নামৰ প্ৰথম তালিকাত বাৰাংবাকি লোকসভা আসনৰ পৰা পুনৰ প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছিল উপেন্দ্ৰ সিং ৰাৱটক। কিন্তু ৰাৱটে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ অস্বীকাৰ কৰি কয় যে সামাজিক মাধ্যমত তেওঁৰ বুলি অভিযোগ উত্থাপন হোৱা ভিডিঅ'টো সন্দৰ্ভত ক্লীন শ্বিট লাভ নকৰা পৰ্যন্ত তেওঁ কোনো নিৰ্বাচনতে প্ৰতিদ্বন্দ্বিতা নকৰে। ছ'চিয়েল মিডিয়াযোগে এটা পোষ্ট কৰি তেওঁ এই কথা স্পষ্ট কৰে। ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰা সাংসদগৰাকীৰ কথিত ভিডিঅ'টোত তেওঁক আপত্তিজনক অৱস্থাত বিদেশী মহিলাৰ সৈতে থকা দেখা গৈছে। ইতিমধ্যে এই ভিডিঅ'টোক ভুৱা বুলি দাবী কৰি আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে সাংসদগৰাকীয়ে। ভাইৰেল ভিডিঅ'টোক ভুৱা আৰু সম্পাদনা কৰা বুলি অভিহিত দাবী কৰি তেওঁ নিৰপেক্ষ তদন্তৰ দাবী জনায়। প্ৰণিধানযোগ্য যে, বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ পিছতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ কথা ৰাজহুৱা কৰিছিল ভোজপুৰী তাৰকা পৱন সিঙেও। তেওঁক পশ্চিমবংগৰ আছানচল লোকসভা আসনৰ পৰা টিকট প্ৰদান কৰিছিল বিজেপিয়ে। কিন্তু নাৰী আৰু বংগক লৈ বহু আপত্তিজনক গীত গাই বিতৰ্কিত হৈ পৰা পৱন সিঙে তেওঁৰ গীতৰ বিৰূপ প্ৰভাৱৰ আশংকাতে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লোৱা বুলি সন্দেহ কৰিছে অনেকে।



২৬সংখ্যক মালয়েচিয়া আন্তৰাষ্ট্ৰীয় চিলা মহোৎসৱত এগৰাকী সুন্দৰীয়ে উৰুৱাইছে চিলা

# দুৰ্গা মন্দিৰত নাৰিকলৰ পুলি ৰোপণ

**ই-সংবাদ, ৪ মাৰ্চ, খুমটাইঃ** এক বৃক্ষ দশপুত্ৰ সম। এই আপ্ত বাক্যশাৰীক অনুসৰণ কৰিয়েই বৃক্ষৰোপণ কৰি গৈছে বুদ্ধেশ্বৰ তুৰীয়ে। গোলাঘাট জিলাৰ খুমটাইৰ বৰফলঙৰ বুদ্ধেশ্বৰ তুৰীয়ে ৰোপণ কৰি আহিছে গছপুলি। এইবাৰ বৰফলং চাহ বাগিচাৰ দুৰ্গা মন্দিৰৰ চৌহদত ৰোপণ কৰিছে অৰ্ধ শতাধিক নাৰিকলৰ পুলি। উদীয়মান যুৱক বুদ্ধেশ্বৰ তুৰীয়ে মন্দিৰ সমিতিক ৫০টা নাৰিকল পুলি প্ৰদান কৰি মন্দিৰৰ চৌহদত ৰোপণ কৰে। কিছু বছৰৰ পিছৰ পৰা মন্দিৰত প্ৰয়োজনীয় নাৰিকলৰ বাবে কেতিয়াও চিন্তা কৰিবলগীয়া নহয়। বৰঞ্চ মন্দিৰ সমিতিয়ে নাৰিকল বিক্ৰী কৰি এটি পুঁজি সংগ্ৰহ কৰিবহে পাৰিব বুলি কয় তুৰীয়ে। উদীয়মান যুৱক বুদ্ধেশ্বৰ তুৰীৰ পদক্ষেপক সকলোৱে শলাগ লৈছে ৰাইজে। ভৱিষ্যতলৈ অঞ্চলটোৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানত মূল্যবান গছপুলি ৰোপণ কৰিব বুলিও জানিবলৈ দিলে বুদ্ধেশ্বৰ তুৰীয়ে।

## অসমত দ্বিতীয়খন আয়ুবেদিক কলেজ

# দুধনৈত আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন সোণোৱালৰ

**ই-সংবাদ, গোৱালপাৰা, ৪ মাৰ্চঃ** ৰাজ্যত লোকসভা নিৰ্বাচনকেন্দ্ৰিক আঁচনি ৰূপায়ণ কৰাৰ প্ৰতিযোগিতা আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো সক্ৰিয় হৈছে। আজি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমত স্থাপন হ'বলগীয়া দ্বিতীয়খন চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। গোৱালপাৰাৰ দুধনৈত ৭০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া দ্বিতীয়খন চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। সৰ্বমুঠ ১০০ কোটি টকাৰ বিভিন্ন আয়ুষ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে সোণোৱালে। কোকৰাঝাৰৰ মোৱামাৰীৰঝাৰ আৰু বাক্সাৰ শিলবাৰীত স্থাপন হ'বলগীয়া ৫০ খনকৈ বিছনাযুক্ত সমন্বিত আয়ুষ চিকিৎসালয় দুখনৰো আজি আধাৰশিলা স্থাপন কৰে সোণোৱালে। মুঠ ৩০ কোটি টকা ব্যয়েৰে এই চিকিৎসালয় দুখন নিৰ্মাণ কৰা হ'ব। সৰ্বানন্দ সোণোৱালে আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি সুদীৰ্ঘ প্ৰায় ৭৬ বছৰৰ মূৰত অসমত দ্বিতীয়খন চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় স্থাপন কৰা হৈছে বুলি দাবী কৰি অসমৰ আয়ুষ তথা স্বাস্থ্যসেৱা খণ্ডক অধিক শক্তিশালী কৰিবলৈ এই সিদ্ধান্ত লোৱা বুলি কয়। সৰ্বানন্দ সোণোৱালে আৰু কয় অসমৰ প্ৰথম আয়ুৰ্বেদিক মহাবিদ্যালয়খন ১৯৪৮ চনত গুৱাহাটীত ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মুখ্যমন্ত্ৰীত্বৰ কালত স্থাপন হৈছিল। আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ ধাৰাক গতিশীলতা প্ৰদানেৰে আজি গোৱালপাৰাৰ দুধনৈত ৰাজ্যখনৰ দ্বিতীয়খন আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হৈছে। আয়ুষ মন্ত্ৰালয়ে ২০২২-২৩ চনত অনুমোদন জনোৱা আয়ুৰ্বেদিক মহাবিদ্যালয়খন ৭০ কোটি টকা ব্যয়েৰে ক্ষিপ্ৰতাৰে নিৰ্মাণ কৰা হ'ব। ২০২৩ চনৰ জুলাই মাহত আমি দুধনৈত উদ্বোধন কৰা সমন্বিত আয়ুষ চিকিৎসালয়ৰ ওচৰত এই মহাবিদ্যালয়খন ৯৩ বিঘা ভূমিত বিকশিত কৰা হ'ব। আধাৰশিলা স্থাপন কাৰ্যসূচীত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, ৰাভা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভা উপস্থিত থাকে।

# ডক্টৰেট ডিগ্ৰী লাভ কৰা শিক্ষক ড০ আবু ইউছুফক সম্বৰ্ধনা




**ই-সংবাদ, মৈৰাবাৰী, ৪ মাৰ্চঃ** মৰিগাঁও জিলাৰ বৰচাপৰি আদৰ্শ এম.ই.এম স্কুলৰ সহকাৰী শিক্ষক ড০ আবু ইউছুফে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। চলিত বৰ্ষত ইণ্ডো-আৰব সাহিত্যলৈ আবুল হাছান আলী আল-নাদৱীৰ অৱদান 'ৰেজাল-উল-ফিকৰ ৱাদ দাৱাহ ফিল ইছলাম'ক লৈ কৰা গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছে। আজি শিক্ষকগৰাকীক ৰাইজে ড০ আবু ইউছুফক এই কৃতিত্বৰ বাবে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। মৈৰাবাৰীৰ দুৰাবান্ধি গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক হাছেন উদ্দীনৰ কনিষ্ঠ পুত্ৰ ড০ আবু ইউছুফৰ কৃতিত্বত স্কুলখনৰ প্ৰধান শিক্ষক হবিবুৰ ৰহমান আৰু জ্যেষ্ঠ শিক্ষক মোখলেচুৰ ৰহমান খানৰ তত্বাৱধানত বিদ্যালয়খনত অনুষ্ঠিত এক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আৰবীবিষয়ত পি.এইচ.ডি ডিগ্ৰী লাভ কৰা ড০ আবু ইউছুফৰ সম্বৰ্ধনা অনুষ্ঠানত বৰচাপৰি গাঁৱৰ সমাজসেৱক ইজ্জত আলি, ধোবাঙখাইতি এম.ই স্কুলৰ প্ৰধান শিক্ষক মকবুল হুছেইন উপস্থিত থাকে। আনহাতে একে দিনাই বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায়ী সভা অনুষ্ঠিত হয়

## মই ২০১৯ চনতো টিকট বিচৰা নাছিলো, এইবাৰো বিচৰা নাই

# হিন্দুত্ববাদী নেত্ৰী প্ৰজ্ঞা সিং ঠাকুৰক টিকট নিদিলে বিজেপিয়ে

**ই সংবাদ, ৪মাৰ্চঃ** কট্টৰ হিন্দুত্ববাদী নেত্ৰী তথা মধ্য প্ৰদেশৰ ভূপাল লোকসভা সমষ্টিৰ সাংসদ প্ৰজ্ঞা সিং ঠাকুৰক বিজেপিয়ে টিকটৰ পৰা বঞ্চিত কৰিছে৷ ভাৰতীয় জনতা পাৰ্টীয়ে আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। মধ্য প্ৰদেশৰ মুঠ ২৯ খন আসনৰ ভিতৰত ২৪ খন আসনৰ প্ৰাৰ্থী ঘোষণা কৰিছে। ভূপাল সমষ্টিত বৰ্তমানৰ সাংসদ প্ৰজ্ঞা সিং ঠাকুৰৰ ঠাইত বিজেপিয়ে ভূপালৰ প্ৰাক্তন মেয়ৰ আলোক শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে৷ বিজেপি দলে টিকট বঞ্চিত কৰাৰ পাছতে প্ৰজ্ঞা সিং ঠাকুৰে গডছে সম্পৰ্কে দিয়া বিতৰ্কিত মন্তব্যৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে হৃদয়ৰ পৰা ক্ষমা কৰিব নোৱাৰিম বুলি কোৱা কথাষাৰৰ চৰ্চা হ'ব ধৰিছে৷ সেইকাৰণে প্ৰজ্ঞা সিং ঠাকুৰক টিকট দিয়া নাই বুলি চৰ্চা হোৱাত প্ৰজ্ঞা ঠাকুৰে কয় যে মই কেতিয়াও বিতৰ্কিত মন্তব্য দিয়া নাছিলো। যি কৈছিলো সঁচা কথাটো কৈছিল। যদি ৰাজনীতিত সঁচা কথা কোৱাটো ভুল, তেন্তে মই ভাবো সঁচা কথা কোৱাটো এটা অভ্যাস হ'ব লাগে। সত্যটো সমাজক জনাব লাগে। প্ৰজ্ঞা ঠাকুৰে আৰু কয় যে মিডিয়াই বিতৰ্কিত মন্তব্য দিয়ে৷ কিন্তু ৰাইজে ইয়াক সঁচা বুলি বিবেচনা কৰে। আমাৰ জনতাই সদায় সঁচা কথা কৈ আহিছে৷ ইয়াক বিৰোধীসকলে এক অস্ত্ৰ কৰি হিচাপে লয়। মাননীয় প্ৰধানমন্ত্ৰীয়ে ক'ব লগা হৈছিল যে তেওঁ হৃদয়ৰ পৰা ক্ষমা নকৰে৷। মই ইতিমধ্যে ইয়াৰ বাবে ক্ষমা বিচাৰিছিলো। কাকো আঘাত দিয়াৰ উদ্দেশ্যে নাছিল৷ প্ৰধানমন্ত্ৰী মোদীৰ মনত আঘাত লাগিছিল৷ সেয়েহে তেওঁ ক'ব লগা হৈছিল যে তেওঁ হৃদয়ৰ পৰা ক্ষমা কৰিব নোৱাৰিব। তেওঁৰ মনক আঘাত কৰাৰ মোৰ তেনে কোনো উদ্দেশ্য নাছিল। ঠাকুৰে কয় টিকট নিদিয়াৰ সিদ্ধান্ত সংগঠনৰ। আমাৰ দেশত, সংগঠন গুৰুত্বপূৰ্ণ। সিদ্ধান্ত সহজে গ্ৰহণযোগ্য। আলোক শৰ্মালৈ মোৰ আশীৰ্বাদ আৰু শুভেচ্ছা আছে।

# মাজুলীত ব্ৰহ্মপুত্ৰত পৰিল মহিলা

**ই-সংবাদ, মাজুলী, ৪ মাৰ্চঃ** মাজুলীত ব্ৰহ্মপুত্ৰৰ বুকুত পুনৰ সংঘটিত হৈছে অঘটন৷ আজি বিয়লি ৩-৩০ বজাত মাসপ্তেশ্বৰী নামৰ যাত্ৰীবাহি ফেৰীৰ পৰা এগৰাকী মহিলা পানীত পৰাত হাহাকাৰ লাগে৷ নিমাতী ঘাটৰ পৰা অফলামুখ অভিমুখী মাসপ্তেশ্বৰী নামৰ যাত্ৰীবাহি ফেৰীৰ পৰা মহিলাগৰাকী পানীত পৰে৷ মহিলাগৰাকী ফেৰীৰ পৰা নদীৰ বুকুত পৰাৰ পাছতে ফেৰীৰ কৰ্মচাৰী আৰু এছডিআৰএফ বাহিনীয়ে অভিযান চলাই জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ খবৰ অনুসৰি যোৰহাট বালিগাৱৰ পূজা বেজবৰুৱা নামৰ মহিলাই মোবাইলত ফটো তুলিবলৈ ধৰোতেই নদীত পৰে৷ মহিলাগৰাকী ফেৰীৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুত পৰাত হুৱাদুৱা লাগে৷ ফেৰীখনত থকা যাত্ৰীসকলে চিঞৰ বাখৰ লগায়। তেনে সময়তে ফেৰীৰ কৰ্মচাৰী আৰু এছডিআৰএফ বাহিনীয়ে মহিলাগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, মহিলাগৰাকীক চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে৷



## মুখ্যমন্ত্ৰী, ডিজিপিক কঠোৰ সমালোচনা বিধায়ক অখিল গগৈৰ

# অভিমন্যু বিজেপিৰ পোহনীয়া অপৰাধী, মুখ্যমন্ত্ৰীৰ ঘৰৰ মানুহ





**ই সংবাদ, ৩মাৰ্চঃ** বিজেপি নেত্ৰী ইন্দ্ৰানী তহবিলদাৰৰ মৃত্যু আৰু আপত্তিজনক ফটো ভাইৰেল কাণ্ডত জড়িত অভিমন্যু দাসক গ্ৰেপ্তাৰৰ পাছতে সৰৱ হৈছে শিৱসাগৰৰ বিধায়ক অখিল গগৈ। অভিমন্যু দাস বিজেপিৰ পোহনীয়া অপৰাধী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘৰৰ মানুহ আৰু অভিমন্যুক গ্ৰেপ্তাৰ কৰিব নোৱাৰাটো অসম চৰকাৰৰ গৃহ বিভাগৰ ব্যৰ্থতা বুলি কয় অখিল গগৈয়ে। অখিল গগৈয়ে কয় যে ৭ মাহে অসম আৰক্ষীৰ নাকৰ তলত ঘূৰা-ফুৰা কৰি থকাত গৃহ বিভাগৰ ফোপোলা স্বৰূপ উদঙাইছে। নিজে গুলি নুফুটালে ধৰাই নপৰিলহেঁতেন। নিযুক্তি কেলেংকাৰীত জড়িত অভিযুক্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰাটো গৃহ বিভাগৰ ব্যৰ্থতা। বন্দুক লৈ দাদাগিৰি কৰি ফুৰা অভিমণ্যু দাসক গ্ৰেপ্তাৰ কৰা ঘটনাই অসম আৰক্ষীৰ সোপা ধিলা, অকৰ্মণ্যতা চৰিত্ৰক প্ৰতিফলিত কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান হিচাপে জি.পি সিং ব্যৰ্থ বুলিও দাবী গগৈৰ।

গুৱাহাটীত ব্যাপক নিৰাপত্তা বৃদ্ধি কৰাত ডি.জি.পিক আক্ৰমণ কৰি অখিল গগৈয়ে জি.পি সিঙে মাফিয়া, ডনৰ নিচিনা ডায়লগ মাৰি থকা বুলি কয়। অখিল গগৈয়ে কয় যে ‘কা’ আন্দোলন মষিমূৰ কৰিবলৈ আৰক্ষী প্ৰস্তুত। গুৱাহাটীত কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে। জি.পি সিঙে মাফিয়া, ডনৰ নিচিনা ডায়লগ মাৰিছে। সন্ত্ৰাসময় পৰিস্থিতিৰ দ্বাৰা ‘কা’ আন্দোলন মষিমূৰ কৰিব খোজা বুলি প্ৰকাশ অখিল গগৈৰ। উল্লেখ্য যে, ১ মাৰ্চৰ নিশা নাটকীয়ভাৱে আৰক্ষীৰ জালত পৰিছিল বিজেপি নেত্ৰী ইন্দ্ৰানী তহবিলদাৰ মৃত্যুকাণ্ডত জড়িত থকাৰ অভিযুক্ত অভিমন্যু দাস। আৰক্ষীৰ চকুত ধুলি দি মুকলি মনেৰে ঘূৰি থকা ইন্দ্ৰানী তহবিলদাৰ মৃত্যুকাণ্ডত জড়িত থকাৰ অভিযুক্ত অভিমন্যু দাসক আন এক ঘটনাৰ বাবে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নিশা মদৰ ৰাগীত মাতাল অভিমন্যু দাসে তিনিজাঁই গুলীচালনা কৰাৰ অন্তত আৰক্ষীয়ে কেইবা ঘণ্টা ধৰি অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধাবাত গুলীচালনা কৰাত গোলঘাট জিলাৰ সৰুপথাৰ আৰক্ষীয়ে কাজিৰঙাৰ কহঁৰাত গ্ৰেপ্তাৰ কৰিছে অভিমন্যু দাসক। ছ’চিয়েল মিডিয়াত আপত্তিজনক ফটো ভাইৰেল কৰাত ইন্দ্ৰানীয়ে আত্মহত্যা কৰাৰ অভিযোগ উত্থাপন হৈছিল। উল্লেখ্য যে, গোলাঘাট জিলাৰ সৰুপথাৰৰ ইকৰাণিত নিশা দুখন গাড়ীত অহা ৫ জনীয়া দুৰ্বৃত্তৰ দলে আইচেং ধাবাৰ সমুখত গুলীচালনা সংঘটিত কৰে। অস্ত্ৰ হাতত লৈ অহা ৫ জনীয়া দুৰ্বৃত্তৰ দলে মদ বিচাৰি ধমক দি ধাবাৰ কৰ্মচাৰীৰ সৈতে তৰ্কাতৰ্কিত লিপ্ত হৈ শূন্যলৈ তিনিজাঁই গুলীচালনা কৰিছিল। তাৰ পাছতে ধাবাৰ কৰ্মচাৰী মৰসাহ কৰি দুই দুৰ্বৃত্তক ধৰি সৰুপথাৰ আৰক্ষীক গটাই দিয়ে। পাছত আন তিনি দুৰ্বৃত্তক অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। বৰপথাৰ সৰুলাংঠাৰ গজেন বৰা, ৰাজস্থানৰ দশৰথ সিং, শচীন শৰ্মা আৰু কহঁৰাত আটক গুৱাহাটীৰ অভিমন্যু দাস, উত্তম দাসক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

# মৰিগাঁৱত তিৱা সাংস্কৃতিক মহোৎসৱৰ লাইখুঁটা স্থাপন ৰাইজৰ



**ই-সংবাদ, মৰিগাঁও, ৪ মাৰ্চঃ** ঐতিহ্যমণ্ডিত পৰম্পৰা, সংস্কৃতিৰে সমৃদ্ধ তিৱা জনগোষ্ঠী। তিৱা জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টি-সংস্কৃতিক জগতসভাত স্থান দিয়াৰ প্ৰয়াস কৰি তিৱা সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত কৰা হ'ব। মৰিগাঁও চহৰৰ তিৱা ফা ইন্দ্ৰসিং দেউৰী ক্ষেত্ৰত ২৯ মাৰ্চৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তিৱা কাণ্ঠিচ্যুৰি খাম অৰ্থাৎ তিৱা সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত হ'ব। আজি জনগোষ্ঠীয় মাংগলিক কাৰ্যসূচীৰে মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰীয়ে। লাইখুঁটা স্থাপন কৰি দিয়া ভাষণত বিধায়ক দেউৰীয়ে আক্ষেপ প্ৰকাশ কৰি মধ্য অসমৰ ইতিহাস প্ৰসিদ্ধ তিৱা জনগোষ্ঠীটো ভাষা, কৃষ্টি-সংস্কৃতি বিকাশত অন্যান্য জনগোষ্ঠীসমূহৰ তুলনাত আজিও বহু পিছপৰি আছে বুলি কয়। ভাষা, কৃষ্টি-সংস্কৃতিক আগুৱাই নি বিশ্বত পৰিচিত কৰাৰ প্ৰবল প্ৰয়াসেৰে পোন প্ৰথমবাৰৰ বাবে তিৱা সাংস্কৃতিক মহোৎসৱৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক মহোৎসৱক সফল কৰি তুলিবৰ বাবে মধ্য অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীক পূৰ্ণ সহযোগ কৰিবলৈ আহ্বান জনায় ৰমাকান্ত দেউৰীয়ে। তিৱা স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মছৰঙে আঁতধৰা লাইখুঁটা স্থাপন আনুষ্ঠানত তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱন চন্দ্ৰ কোঁৱৰ, প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য নাৰায়ণ কুমাৰ ৰাডুকাকতি, অসম চৰকাৰৰ অসম সৌৰভ বঁটা প্ৰাপ্ত তিৱা নৃত্য গুৰু নাদিৰাম দেউৰী, তিৱা ৰাজদৰবাৰৰ সম্পাদক জুৰচিং বৰদলৈ, বিশিষ্ট তিৱা সাহিত্যিক তথা ভীমবৰ দেউৰী বটাঁ প্ৰাপ্ত মিলেশ্বৰ পাতৰ, মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰসভাপতি প্ৰতাপ হাজৰিকা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাসহ তিৱা জনগোষ্ঠীৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত জাগীৰোড আৰু মৰিগাঁও চহৰৰ সিধাবাৰীৰ দুটা সাংস্কৃতিক দলে পৰম্পৰাগত তিৱা নৃত্য পৰিৱেশন কৰে। তিৱা স্বায়ত্ব পৰিষদৰ উদ্যোগত আৰু সদৌ তিৱা ছাত্ৰ সন্থা, তিৱা মাথনলাই তখ্বা, তিৱা ৰাজদৰবাৰ, তিৱা যুৱ ছাত্ৰ পৰিষদ, সদৌ তিৱা মহিলা সন্থা, তিৱা সাংস্কৃতিক সমাজ আৰু সদৌ তিৱা সুৰক্ষা সমিতিৰ যৌথ সহযোগত অহা ২৯, ৩০ আৰু ৩১ মাৰ্চত মৰিগাঁও চহৰৰ স্কুল খেলপথাৰৰ তিৱা ফা ইন্দ্ৰসিং দেউৰী ক্ষেত্ৰত মধ্য অসমৰ তিৱা জনগোষ্ঠীৰ সাতামপুৰুষীয়া কৃষ্টি সংস্কৃতি প্ৰদৰ্শনেৰে পোন প্ৰথমবাৰৰ বাবে তিৱা সাংস্কৃতিক মহোৎসৱ অনুষ্ঠিত হ'ব।

# ওদালগুৰিত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল


**ই-সংবাদ, ওদালগুৰি, ৪ মাৰ্চঃ** ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ওদালগুৰি জিলা ভ্ৰমণ কৰি জিলাখনৰ ভোট কেন্দ্ৰৰ বুজ লোৱাৰ লগতে নিৰ্বাচনক লৈ প্ৰস্তুতিৰ বুজ লয়। ইভিএম ৰখা স্থান পৰ্যবেক্ষণ কৰাৰ লগতে আগন্তুক নিৰ্বাচন সন্দৰ্ভত নিৰাপত্তাৰ দিশ সন্দৰ্ভত ওদালগুৰি আয়ুক্ত তথা ৰিটাৰ্ণি বিষয়া ডা০ ছাদনেক সিং, জিলা আৰক্ষী অধীক্ষক পুষ্কিন জৈনৰ উপস্থিতিৰ জিলাখনৰ আন বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। সমাগত লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিষয়াগৰাকীয়ে ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ জিলা প্ৰশাসনৰ প্ৰস্তুতিক লৈ বৈঠক অনুষ্ঠিত কৰে। উল্লেখ্য যে, এইবেলি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সমগ্ৰ নিৰ্বাচনী কাম-কাজ ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা পৰিচালিত হ'ব। মনোনয়ন দাখিলৰ পৰা আৰম্ভ কৰি নিৰ্বাচনৰ ভোটগণনা, ফলাফল ঘোষণা ওদালগুৰি আয়ুক্তৰ কাৰ্যালয়ত সম্পন্ন হ'ব। লোকসভা সমষ্টিত ওদালগুৰি, দৰং, কামৰূপ আৰু বাক্সা জিলাৰ মুঠ ১১টা বিধানসভা সমষ্টিৰ ২১,৮৭,১৬০গৰাকী ভোটাৰে সাংসদ নিৰ্বাচিত কৰিব।

# শেষ পৃষ্ঠা

## ৰঞ্জিৰ ফাইনেলত মুম্বাই



**মুম্বাই, ৪ মাৰ্চঃ** অলৰাউণ্ডাৰ চাৰ্দুল ঠাকুৰৰ অনবদ্য শতৰানৰ সহায়ত মাত্ৰ তিনি দিনত তামিলনাডুক এক ইনিংছ আৰু ৭০ ৰানত পৰাস্ত কৰি ৪৭ বাৰৰ বাবে ৰঞ্জি ট্ৰফীৰ ফাইনেলত প্ৰৱেশ কৰিছে। বান্দ্ৰা কুন্দ্ৰ কমপ্লেক্সত যোৱা ২ মাৰ্চৰ খেলা খেলখনত টচত জয়ীহৈ প্ৰথমে বেটিং কৰি প্ৰথম ইনিংছত মাত্ৰ ১৪৬ কৰিছিল তামিলনাডুৱে। দলটোৰ হৈ বিজয় শংকৰে ৪৪ আৰু ৱাছিংটন শুন্দৰে ৪৩ ৰান কৰে। বলিঙত মুম্বাইৰ হৈ তুষাৰ দেশপাণ্ডেই তিনিটা, তনুচ কতিয়ান, মুচিৰ খান আৰু চাৰ্দুল ঠাকুৰে দুটাকৈ উইকেট লয়। ইয়াৰ প্ৰত্যুত্তৰত মুম্বায়ে ১০৬.৫ অভাৰত ৩৭৮ ৰান কৰে। চাৰ্দুল ঠাকুৰে সৰ্বাধিক ১০৯ ৰান কৰে। তনুচ কতিয়ানে ৮৯ আৰু মুচিৰ খানে কৰে ৫৫ ৰান। তামিলনাডুৰ অধিনায়ক চাই কিশোৰে ছয়টা উইকেট দখল কৰে। প্ৰথম ইনিংছত ২০৭ ৰানত পিছপৰা তামিলনাডুৱে দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৫১.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৬২ ৰান সংগ্ৰহ কৰে। এইদৰে মুম্বাই দলে এক ইনিংছ আৰু ৭০ ৰানত জয়লাভ কৰে। বলিঙত মুম্বাইৰ হৈ চামছ মুলানীয়ে চাৰিটা আৰু তনুচ কতিয়ান আৰু চাৰ্দুল ঠাকুৰে দুটাকৈ উইকেট লয়। উল্লেখ্য যে এইলৈ মুম্বায়ে ৪৭ বাৰৰ বাবে ৰঞ্জি ট্ৰফীৰ ফাইনেলত প্ৰৱেশ কৰিলে। ইয়াৰ পূৰ্বে ৪১ বাৰ ৰঞ্জি ট্ৰফী জয় কৰা দলটোৱে শেষবাৰৰ বাবে ২০২১-২২ বৰ্ষত ফাইনেল প্ৰৱেশ কৰিছিল। সেইবাৰ দলটোৱে ৰানাৰ্চ আপতে সন্তুষ্ট থাকিবলগীয়া হৈছিল।




# আপৰ ভয়ত প্ৰাৰ্থী সলনি কৰিছে বিজেপিয়ে

## ডিব্ৰুগড়ত আপৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ জেছমিন শ্বাহ

**ই সংবাদ, ৪মাৰ্চঃ** 'বিজেপি চৰকাৰে বিগত দিনবোৰত জনসাধাৰণৰ বাবে কোনো কাম কৰা নাই। সেইবাবেই তেওঁলোকে দলৰ সাংসদ তথা মন্ত্ৰীৰ টিকটো কৰ্তন কৰিছে। ডিব্ৰুগড়ত আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰৰ নাম ঘোষণা কৰাৰ পাছত বিজেপিয়ে প্ৰাৰ্থী সলনি কৰিবলৈ বাধ্য হৈছে- ' সোমবাৰে ডিব্ৰুগড়ৰ লোকসভা সমষ্টিৰ অন্তৰ্গত ডিকম বজাৰত' 'অসমতো কেজৰিৱাল' অভিযানৰ নেতৃত্ব দি এই অভিযোগ কৰে আপৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ জেছমিন শ্বাহে। দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ উন্নয়নৰ বাৰ্তা লৈ জনসম্পৰ্ক অভিযান আৰম্ভ কৰা আপৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী কেজৰিৱালৰ প্ৰতিনিধি অৱসৰপ্ৰাপ্ত কৰ্নেল ৰাহুল পানৱাৰে। অসমতো কেজৰিৱাল অভিযানত আপৰ প্ৰাৰ্থী মনোজ ধানোৱাৰৰ লগতে বহুসংখ্যক ৰাজ্যিক তথা জিলা পৰ্য্যায়ৰ দলীয় নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিজেপি চৰকাৰৰ আমোলত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন দপ্তৰৰ বিভিন্ন আঁচনি ৰূপায়নৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ বিৰুদ্ধে ডিব্ৰুগড়বাসীক ৰায় দিবলৈ দলৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে আহ্বান জনায়। নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হোৱাৰ পূৰ্বেই দলৰ দুজনকৈ ৰাষ্ট্ৰীয় নেতাৰ ডিব্ৰুগড় ভ্ৰমণে উৎসাহিত কৰি তুলিছে আম আদমী পাৰ্টিৰ কৰ্মকৰ্তা তথা সমৰ্থক সকলক। উল্লেখ কৰা প্ৰয়োজন যে, আপে অসমত ৩টা সমষ্টিৰ বাবে ঘোষণা কৰিছে প্ৰাৰ্থীৰ নাম। গুৱাহাটী, শোণিতপুৰ আৰু ডিব্ৰুগড়ত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে আপৰ কেন্দ্ৰীয় নেতৃত্বই।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান